# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2026
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে মৰাণত জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। ইয়াৰ পূৰ্বে তেওঁ প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে কালি মৰাণত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমানৰ জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণৰ চূড়ান্ত অনুশীলন কৰা হয়। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণৰ কৌশল প্ৰদৰ্শন কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত উপস্থিত হৈ যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। ড° শৰ্মাই বায়ুসেনা, অসম আৰক্ষী আৰু জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়।

*বাইট (চি এম)*

প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত মৰাণৰ জৰুৰীকালীন উৰণ-অৱতৰণ ক্ষেত্ৰৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত সকলো ঔদ্যোগিক কাৰ্য-কলাপ বন্ধ ৰখাৰ বাবে জিলা প্ৰশাসনে নিৰ্দেশ জাৰি কৰিছে।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ইয়াৰ লগতে শ্ৰী মোদীয়ে গুৱাহাটীত আন কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব।

০০০০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল ধ্বনি হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সন্দৰ্ভত আলোচনা কৰা হ'ব। বিশ্ব ৰেডিঅ' দিৱসৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজিৰেপৰাই পডকাষ্ট আৰম্ভ কৰিব। আজি পুৱা ৯ বাজি ২০ মিনিটত প্ৰচাৰিত হ'বলগীয়া আকাশবাণী গুৱাহাটীৰ প্ৰথমটো পডকাষ্টত ভাগ ল'ব কেন্দ্ৰটোৰ মুৰব্বী, অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই।

আজি বিয়লি ৩ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত এখন মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সন্ধিয়া ৫ বাজি কুৰি মিনিটত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ড° ৰূপম ভট্টাচাৰ্য্যই ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক বক্তৃতা প্ৰদান কৰিব।

আনহাতে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ কলম্বো কাৰ্য্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা

বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ বাণীবদ্ধ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে ড০ দত্তৰ এই সাক্ষাৎকাৰ কাইলৈ নিশা ৮বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘ দলংঘাটৰ শংকৰ আজান জাতীয় বিদ্যালয়ত আজি ৰেডিঅ' সম্পৰ্কীয় ছবি অঁকা আৰু বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। লোকশিল্পী প্ৰতিভা দেৱীক শ্ৰোতা সংঘই শিল্পী বঁটা প্ৰদান কৰাৰ লগতে ৰেডিঅ'ৰ আৰ্হিৰ বাহনেৰে অঞ্চল পৰিভ্ৰমণ আৰু বিনামূলীয়া ৰেডিঅ' বিতৰণৰ দৰে আন কেইবাটাও কাৰ্য্যসূচী গ্ৰহণ কৰিছে।

০০০০০০০

এটা পৰিয়ালত পুৰুষৰ লগতে মহিলাসকলেও যাতে আৰ্থিক বৰঙণি আগবঢ়াব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ৰাজ্যত উদ্যমিতা আঁচনি আৰম্ভ কৰিছে। এই আঁচনিৰ লক্ষ্য হৈছে মহিলাসকলক লাখপতি বাইদেউ হিচাপে গঢ় দিয়া। মাজুলী বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাৰ মাজত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই মন্তব্য প্ৰকাশ কৰিছে। উদ্যমিতা আঁচনিৰ ধনৰ সদ্ ব্যৱহাৰ কৰি সফলতা লাভ কৰিলে পৰৱৰ্তী পৰ্যায়ত মহিলাসকলে পৰ্যায়ক্ৰমে ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকাকৈ লাভ কৰিব বুলিও তেওঁ কয়। অৰুণোদয় নোপোৱা মহিলাৰ প্ৰতি লক্ষ্য ৰাখি মাজুলীত আৰু দুহেজাৰ মহিলাক এই আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মাজুলীৰ পৰ্যটনৰ সম্ভাৱনাক গুৰুত্ব প্ৰদান কৰি জিলাখনত এটা বিমান বন্দৰ নিৰ্মাণৰ প্ৰাৰম্ভিক পৰিকল্পনা কৰা বুলি ড° শৰ্মাই উল্লেখ কৰাৰ লগতে মাজুলীবাসীয়ে বিচাৰিলে ৰে'ল চলাচলৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। নিৰ্মাণ কাৰ্য বন্ধ হৈ থকা মাজুলী-যোৰহাট সংযোগী দলঙৰ নিৰ্মাণৰ কাম পুনৰ আৰম্ভ কৰা হ'ব বুলিও তেওঁ সদৰী কৰিছে।

০০০০০০০

**সমাপ্ত**